**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-01-2026 **Time :** 1100 Hrs.

0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বোকাখাত বিধানসভা সমষ্টিত আজি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মহিলাসকলৰ মাজত চেক বিতৰণ কৰিব। এই উপলক্ষে বোকাখাতৰ জেনেৰেল ষ্টেডিয়ামত আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে লোকনিৰ্মাণৰ পথ বিভাগৰ অধীনত মুঠ ৬ হাজাৰ ৯০৪ লাখ টকা ব্যয়ৰে ১৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণৰ গৃহ নিৰ্মাণ বিভাগৰ অধীনত ৬ কোটি ৪৮ লাখ টকা ব্যয়ৰ আন এটা প্ৰকল্প, জলসিঞ্চন বিভাগৰ অধীনত ২ কোটি ৪ লাখ টকা ব্যয়ৰ আন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। আনহাতে, লোকনিৰ্মাণৰ পথ বিভাগৰ অধীনত ৫ হাজাৰ ৬৪৬ লাখ টকা ব্যয়ৰে নিৰ্মিত মুঠ ১৩টা প্ৰকল্প আৰু লোকনিৰ্মাণৰ গৃহ নিৰ্মাণ বিভাগৰ অধীনত ৬ কোটি ৮ লাখ টকা ব্যয়ৰে নিৰ্মিত তিনিটা প্ৰকল্প আজি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত ৮৪ লাখ টকাৰে নিৰ্মিত ৪টা প্ৰকল্প, জলসিঞ্চন বিভাগৰ অধীনত ৮৬ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা এটা প্ৰকল্প আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অধীনত ৩৪ লাখ টকা ব্যয়ৰে নিৰ্মিত আন প্ৰকল্পৰো আজি মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিব। তদুপৰি বোকাখাত বিধানসভা সমষ্টিৰ অধীনৰ আত্মসহায়ক গোটৰ ২৭ হাজাৰ ১৬৬ গৰাকী মহিলাৰ মাজত তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰিব। এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকিব।

oooooooo

শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ ৮৩০ হেক্টৰ ভূমিত কালি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঢেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি, চিয়ালিচৰ, বাঘেটাপু, লাঠীমাৰী চৰকে ধৰি কেইবাটাও অঞ্চল দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে অঞ্চলটোত আজি অভিযান চলাব। একালত জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ আৰু দুষ্প্ৰাপ্য উলুম'ৰা পক্ষীৰ বাবে বিখ্যাত অভয়াৰণ্যখনৰ একাংশ দখলকাৰীৰ কবলত পৰিছে। ৪৪ বৰ্গ কিলোমিটাৰজোৰা অভয়াৰণ্যখনত ছহেজাৰ ২০০ বিঘা ভূমিত দখলকাৰীয়ে বাসগৃহ নিৰ্মাণ আৰু কৃষিকাৰ্য কৰি আহিছে। ২০২৩ চনত শোণিতপুৰ জিলা প্ৰশাসনে বুঢ়া চাপৰি অভয়াৰণ্যত উচ্ছেদ চলাই ছহেজাৰ ২০০ বিঘা ভূমিত ক্ষতিপূৰণমূলক বনানিকৰণৰ বাবে আবণ্টন দিছিল। কিন্তু উচ্ছেদৰ ছমাহ পাছতে পুনৰ এই ভূমি একাংশ লোকে দখল কৰে। এমাহ পূৰ্বে উচ্ছেদৰ বাবে এই ভূমি খালী কৰাৰ বাবে প্ৰশাসনে জাননী জাৰি কৰিছিল। জাননী লাভ কৰাৰ পাছতো অঞ্চলটো খালী নকৰাৰ বাবে কালি বৃহৎসংখ্যক সুৰক্ষা কৰ্মীয়ে ৩৬ খন এক্সকেভেটৰ আৰু ৬০ খন ট্ৰেক্টৰেৰে উচ্ছেদ অভিযান চলায়। একাংশ লোকে আৰক্ষী প্ৰশাসনক বাধা দিবলৈ চেষ্টা কৰে যদিও সুৰক্ষা কৰ্মীৰ প্ৰচেষ্টাত পৰিস্থিতি নিয়ন্ত্ৰণ কৰা হয়। উল্লেখযোগ্য যে বুঢ়াচাপৰি সংৰক্ষিত বন্যপ্ৰাণী অভয়াৰণ্যৰ পূবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পশ্চিমে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু পবিতৰা অভয়াৰণ্য, উত্তৰ দিশত পাক্কে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু দক্ষিণে কাৰ্বি আংলঙৰ চহকী সংৰক্ষিত বনাঞ্চল আছে। বনাঞ্চলখন কাজিৰঙালৈ জীৱ-জন্তু প্ৰব্ৰজনৰ সংযোগী কৰিড'ৰ হিচাপে ব্যৱহৃত হৈ আহিছে। বনাঞ্চলখনৰ উত্তৰ সীমাৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ টাপুত বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী, সৰীসৃপ আৰু চৰাইয়ে বিচৰণ কৰে। অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে আজি পুনৰ উচ্ছেদ চলোৱা হৈছে।

ooooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি সামৰণি পৰিব। অসম গ্ৰন্থমেলাৰ উদ্যোক্তাসকলে প্ৰকাশ কৰা মতে এইবাৰ গ্ৰন্থমেলাত গ্ৰন্থ বিক্ৰীৰ হাৰ আশাব্যঞ্জক আছিল। কালি ত্ৰয়োদশ দিনালৈ গ্ৰন্থমেলাত মুঠ ৬ কোটি ৮০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। আজি বিয়লি আঢ়ৈ বজাত গ্ৰন্থমেলাৰ সামৰণি

অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডা০ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত ওড়িশাৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে লেখক-সাহিত্যিক অৰূপ কুমাৰ দত্ত, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী আৰু সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়া ৫ বজাত গ্ৰন্থমেলাৰ বাকৰিত সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হ'ব।

০০০০০০০০

বিগত প্ৰায় এসপ্তাহ ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰী শীতৰ কৱলত পৰিছে। কালিও গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰীৰ চৌপাশ আৱৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত অহা ৭ দিনত সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী চেলছিয়াছলৈ হ্ৰাস পাব। সূত্ৰটোৱে প্ৰকাশ কৰা মতে সৰ্বোচ্চ তাপমাত্ৰা স্বাভাৱিকতকৈ হ্ৰাস পোৱাৰ বাবে দিনৰ ভাগতো জনসাধাৰণে প্ৰচণ্ড শীত অনুভৱ কৰিছে। গুৱাহাটীত কালি সৰ্বোচ্চ তাপমাত্ৰা ২০ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ দশমিক ৭ ডিগ্ৰী চেলছিয়াছ ৰেকৰ্ড কৰা হয়। পৰৱৰ্তী কেইটামান দিনতো ঘন কুঁৱলী অব্যাহত থকাৰ লগতে শীতৰ প্ৰকোপ বৃদ্ধি পাব বুলি কোৱা হৈছে।

ৰাজ্যৰ বিভিন্ন স্থানত শীতপ্ৰৱাহে জনজীৱন একপ্ৰকাৰ স্থবিৰ কৰি তুলিছে। মৰিগাওঁ জিলাতো শীতপ্ৰবাহে প্ৰাত্যহিক জনজীৱন স্থবিৰ কৰি তুলিছে ইয়াৰ পৰিপ্ৰেক্ষিতত মৰিগাওঁ জিলাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় জিলা প্ৰশাসনে আজি বন্ধ ঘোষণা কৰিছে।

নলবাৰী জিলাৰ বিদ্যালয়সমূহ আজিৰেপৰা ৫ দিনৰ বাবে বন্ধ ঘোষণা কৰা হৈছে। দৰং জিলাত শীত প্ৰৱাহৰ বাবে জিলাখনৰ সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানৰ পাঠদানৰ সময়সূচী আজিৰেপৰা সাল-সলনি কৰা হৈছে। সেই অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত দিনৰ ১০ বজাৰ পৰা ১ বজালৈ পাঠদান কৰা হ'ব। উচ্চ শ্ৰেণীসমূহত দিনৰ ১০ বজাৰ পৰা ২ বজালৈ পাঠদান কৰা হ'ব। পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত এই নিৰ্দেশ বাহাল থাকিব।

ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে এটা নিৰ্দেশযোগে শিক্ষানুষ্ঠানসমূহৰ পাঠদানৰ সময়সূচী সাল-সলনি কৰিছে। শীত প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ পাঠদান কৰিবলৈ কোৱা হৈছে। ৰাজ্যৰ কেইবাখনো জিলাত পাঠদানৰ সময় সাল-সলনি কৰা হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিত আয়োজিত দুখনকৈ জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া দেউৰীবিল পথাৰ আৰু ঘিলামৰা ব্লক ফিল্ডৰ সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০০

**সমাপ্ত**